জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭০৭/২০২০

## ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহৰ পাঠদান পুনৰ আৰম্ভ কৰা সন্দৰ্ভত শিক্ষা আৰু স্বাস্থ্য বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

# অনলাইনযোগে পাঠ গ্ৰহণ কৰাত সহায়ক হোৱাকৈ দৰিদ্ৰ সীমাৰেখাৰ তলৰ শিক্ষাৰ্থীসকলৰ অভিভাৱকলৈ স্মাৰ্টফোন প্ৰদানৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## বিদ্যালয়সমূহত স্থাপন কৰা ক'ভিড কেয়াৰ চেন্টাৰসমূহ শীঘ্ৰে স্থানান্তৰ কৰিবলৈ আৰু প্ৰতিখন বিদ্যালয়ৰ লগতে একোখনকৈ স্বাস্থ্য কেন্দ্ৰ সমন্বিত কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৭ অক্টোবৰ ঃ** ক'ভিড-১৯ মহামাৰীৰ আতংকৰ বাবে বিগত সাতমাহৰো অধিক কাল ধৰি বন্ধ হৈ থকা ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহ পুনৰ মুকলি কৰা সন্দৰ্ভত আলোচনাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শিক্ষা, স্বাস্থ্য আদি বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে এক বৈঠকত মিলিত হয়। বৈঠকত উচ্চ শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তীয়ে এক প্ৰেজেণ্টেশ্যনযোগে বিদ্যালয়সমূহৰ পাঠদান আৰম্ভ কৰাৰ বাবে শিক্ষা বিভাগে প্ৰস্তুত কৰা সুনিৰ্দিষ্ট কাৰ্যবিধি (ষ্টেণ্ডাৰ্ড অপাৰেটিং প্ৰচিডিউৰ)ৰ বিষয়ে বিস্তৃতভাৱে মুখ্যমন্ত্ৰীক অৱগত কৰে। কেইবাটাও গুৰুত্বপূৰ্ণ দিশত এই বিধিৰ সংশোধন কৰাৰ লগতে শ্ৰেণীসমূহ পুনৰ আৰম্ভ কৰাৰ দিশত ক'ভিড-১৯ বিধি কঠোৰভাৱে মানি চলাটো সুনিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰী সোণোৱালে শিক্ষা বিভাগক নিৰ্দেশ দিয়ে। শ্ৰেণীসমূহ পুৱাবেলা যথাসম্ভৱ সোনকালে আৰম্ভ কৰিবলৈ, শিক্ষাৰ্থীৰ দুটা দলৰ অহা আৰু যোৱাৰ সময়ৰ মাজত উপযুক্ত ব্যৱধান ৰাখিবলৈ তথা শ্ৰেণীকোঠা, প্ৰস্ৰাৱগাৰ আদিৰ নিয়মীয়া আৰু উপযুক্ত পৰিচ্ছন্নতা সুনিশ্চিত কৰাৰ দিশত মুখ্যমন্ত্ৰীয়ে বিশেষ গুৰুত্ব আৰোপ কৰে। ছাত্ৰ-ছাত্ৰীৰ মন আনুষ্ঠানিক পাঠদান প্ৰক্ৰিয়াৰ মাজলৈ পুনৰ ঘূৰাই অনাৰ বাবে পাঠদানৰ প্ৰথম মাহটোত তেওঁলোকক দৃশ্য-শ্ৰাব্য ব্যৱস্থা, কাহিনী কথন আদি আকৰ্ষণীয় পদ্ধতিৰ আশ্ৰয় ল'বলৈ, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ মাজত ক'ভিড-১৯ সন্দৰ্ভত সজাগতা সৃষ্টি কৰা তথা এই মহামাৰীক নিয়ন্ত্ৰণলৈ অনাৰ বাবে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলী সন্দৰ্ভত অৱগত কৰাৰ ব্যৱস্থা ল'বলৈও মুখ্যমন্ত্ৰী সোণোৱালে শিক্ষা বিভাগক নিৰ্দেশ দিয়ে। ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰিবৰ বাবে

স্থানীয় ক'ভিড যোদ্ধা, প্লাজমা দাতা আদিক বিদ্যালয় বা ৰাজহুৱা স্থানলৈ আমন্ত্ৰণ কৰি আনি সম্বৰ্ধনা জ্ঞাপনৰ ব্যৱস্থা কৰিবলৈও তেওঁ পৰামৰ্শ আগবঢ়ায়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে কৰ'নাৰ আতংকই বহুতো নেতিবাচক দিশৰ মাজতো স্বচ্ছতাৰ গুৰুত্বৰ বিষয়ে দেশবাসীক সজাগ কৰিলে। এই পৰিস্থিতিৰ সুযোগ লৈ ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বিষয়ে সমাজক সজাগ কৰাৰ দিশত শিক্ষা বিভাগে গুৰুত্ব আৰোপ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়োৱাৰ বাবে তেওঁলোকক আইৰণ আৰু ফলিক এচিডৰ বড়ি যোগান ধৰা, নিয়মীয়া যোগাভ্যাসৰ প্ৰশিক্ষণ দিয়া তথা নিয়মীয়া স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰিবলৈ তেওঁ বিভাগটোক নিৰ্দেশ দিয়ে। বিদ্যালয়সমূহত স্থাপন কৰা ক'ভিড কেয়াৰ চেণ্টাৰসমূহ শীঘ্ৰে স্থানান্তৰ কৰিবলৈ তথা যিকোনো জৰুৰী পৰিস্থিতিৰ বাবে প্ৰতিখন বিদ্যালয়ৰ লগতে একোখনকৈ স্বাস্থ্য কেন্দ্ৰক সমন্বিতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ বৈঠকত উপস্থিত থকা স্বাস্থ্য বিভাগৰ কৰ্ম-কৰ্তাসকলক নিৰ্দেশ দিয়ে।

পৰিৱৰ্তিত পৰিস্থিতিত শিক্ষাদানৰ পাৰম্পৰিক পদ্ধতিৰ লগতে ডিজিটেল মাধ্যমৰ অপৰিহাৰ্যতাৰ প্ৰতি লক্ষ্য ৰাখি অনলাইনযোগে পাঠ গ্ৰহণ কৰিব পৰা স্মাৰ্টফোনৰ দৰে সঁজুলি নথকা দৰিদ্ৰ সীমাৰেখাৰ তলৰ অভিভাৱকসকলক তেনে সঁজুলি প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে আজি শিক্ষা বিভাগক নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে শিক্ষা বিভাগে প্ৰস্তুত কৰা সুনিৰ্দিষ্ট কাৰ্যবিধি অনুসৰি অহা ২ নৱেম্বৰৰ পৰা ৰাজ্যৰ বিদ্যালয়সমূহৰ ষষ্ঠ শ্ৰেণীৰ ওপৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ আনুষ্ঠানিক পাঠদান আৰম্ভ হ'ব। ষষ্ঠ, সপ্তম, নৱম আৰু দ্বাদশ শ্ৰেণীৰ পাঠদান সপ্তাহৰ সোম, বুধ আৰু শুক্ৰবাৰে হোৱাৰ বিপৰীতে অষ্টম, দশম আৰু একাদশ শ্ৰেণীৰ পাঠদান কৰা হ'ব মঙল, বৃহস্পতি আৰু শনিবাৰে। একেদৰে স্নাতক প্ৰথম, তৃতীয় আৰু পঞ্চম যান্মাষিকৰ পাঠদান ক্ৰমে সপ্তাহত দুদিন, তিনিদিন আৰু চাৰিদিনকৈ আগবঢ়োৱাৰ সিদ্ধান্ত লোৱা হৈছে। পাঠদান কাৰ্য দুটা ক্ষেপত আগবঢ়োৱা হ'ব আৰু প্ৰতিটো ক্ষেপত সৰ্বোচ্ছ ২৫ গৰাকীকৈহে ছাত্ৰ-ছাত্ৰী থাকিব পাৰিব। শ্ৰেণীসমূহ আৰম্ভ হোৱাৰ আগেয়ে প্ৰতিগৰাকী শিক্ষক-কৰ্মচাৰী, মধ্যাহ্ন ভোজন কৰ্মী আদিৰ কভিদ পৰীক্ষা বাধ্যতামূলক কৰা হৈছে। হোষ্টেলসমূহ সদ্যহতে বন্ধ থাকিব। স্কুলবাছৰ ব্যৱস্থা থাকিলে ক'ভিড বিধি কঠোৰভাৱে মানি চলাৰ পাছতহে চলাব পাৰিব। এই কাৰ্যবিধি চৰকাৰী আৰু ব্যক্তিগত উভয় শিক্ষানুষ্ঠানৰ বাবে প্ৰযোজ্য হ'ব। ছাত্ৰ-ছাত্ৰীৰ মাজত ক'ভিড সংক্ৰমণৰ দৰে যিকোনো পৰিস্থিতিৰ বাবে জিলা উপায়ুক্তসকলক সজাগ থাকিবলৈ কোৱাৰ লগতে বিভিন্ন টাস্ক ফ'ৰ্চ, জৰুৰীকালীন সেৱা দল আৰু টোল ফ্ৰী নম্বৰ সক্ৰিয় কৰিবলৈ তথা ইয়াৰ বিষয়ে বিজ্ঞাপনযোগে ৰাইজক জনাই থাকিবলৈও মুখ্যমন্ত্ৰীয়ে শিক্ষা আৰু স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে।

আনহাতে ৰাজ্যৰ বিশ্ববিদ্যালয়সমূহৰ পাঠদান আৰম্ভ কৰাৰ সন্দৰ্ভত কাৰ্যবিধি প্ৰস্তুত কৰাৰ বাবে বিশ্ববিদ্যালয়সমূহৰ উপাচাৰ্যসকলৰ সৈতে শীঘ্ৰে আলোচনাত মিলিত হ'বলৈও মুখ্যমন্ত্ৰীয়ে বিভাগক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, স্বাস্থ্য বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা,শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তী, মুখ্যমন্ত্ৰীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্ৰৱৰ্তী, শিক্ষা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়া, সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিব এম এছ মনিৱন্নন, শিক্ষা বিভাগৰ আয়ুক্ত সচিব আদিল খান আদিকে ধৰি স্বাস্থ্য, শিক্ষা, জনস্বাস্থ্য কাৰিকৰী ইত্যাদি বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**২৭/১০/২০২০**